# 2022

## ASSAMESE

( Regular Elective )

Paper : ASM-RE-5016/5026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : ASM-RE-5016

( শংকৰদেৱ )

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) শংকৰদেৱে ৰচনা কৰা সংলাপযুক্ত প্ৰথম নাট কোনখন?

(খ) শংকৰদেৱে ৰচনা কৰা প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি?

(গ) শংকৰদেৱে 'ৰামায়ণ'ৰ কোনটো কাণ্ড অনুবাদ কৰিছিল?

(ঘ) 'ভক্তি ৰত্নাকৰ' কি ভাষাত ৰচিত গ্ৰন্থ?

(ঙ) শংকৰদেৱে মুঠ কেইপ্ৰকাৰ ভটিমা ৰচনা কৰিছিল?

(চ) শংকৰদেৱৰ বিৰচিত প্ৰথম বৰগীত কোনটো?

(ছ) 'বৰগীত'ক কোনে 'Noble Numbers' আখ্যা দিছে?

(জ) শংকৰদেৱে তোটক ছন্দত ৰচনা কৰা বিষ্ণুৰ লীলা-মাহাত্ম্য প্ৰকাশক সংস্কৃত স্তোত্ৰটো কি নামেৰে পৰিচিত?

(ঝ) 'কীৰ্ত্তন-ঘোষা'ৰ বাহিৰে শংকৰদেৱে ৰচনা কৰা নাম-প্ৰসংগ বিষয়ক আনখন গ্ৰন্থৰ নাম কি?

(ঞ) 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ' শীৰ্ষক গ্ৰন্থৰ ৰচক কোন?

(ট) কোনগৰাকী পণ্ডিতে 'Sankardeva and His Times' বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰিছিল?

(ঠ) 'শাৰংগ পাণি পাহে ......' বৰগীতটি কি ৰাগত ৰচিত?

(ড) 'কীৰ্ত্তন'ৰ শিশু লীলাত বৰ্ণনা কৰা মতে কোনগৰাকী ঋষিয়ে শ্ৰীকৃষ্ণৰ জাতকৰ্ম সম্পন্ন কৰিছিল?

(ঢ) শুক মুনিয়ে কোন ৰজাৰ আগত গজেন্দ্ৰ উপাখ্যান বৰ্ণনা কৰিছে?

(ণ) ৰজা হৰিশ্চন্দ্ৰই কোন ঋষিৰ ৰোষত পৰি ৰাজ্যাদি সৰ্বস্ব হেৰুৱাইছিল?

(ত) ৰোহিতাস্য কোন?

*( Continued )*



(থ) 'বিষ্ণু পুৰাণ' আৰু 'ভাগৱত পুৰাণ'ৰ বাহিৰে শংকৰদেৱৰ 'পাৰিজাত হৰণ'ৰ বিষয়বস্তুত আন কোনখন গ্ৰন্থৰ প্ৰভাৱ পৰিছে?

(দ) কাৰ বাধাৰ কাৰণে ইন্দ্ৰই শ্ৰীকৃষ্ণক পাৰিজাত ফুল দিবলৈ অমান্তি হৈছিল?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) শংকৰদেৱৰ সমসাময়িক বৈষ্ণৱ প্ৰভাৱমুক্ত দুগৰাকী কবিৰ নাম লিখা।

(খ) কাহিনী-বিকাশ, চৰিত্ৰ-সৃষ্টি আদি বিষয়ত শংকৰদেৱৰ কোন দুখন নাটকৰ বিশেষ সাদৃশ্য লক্ষ্য কৰা যায় বুলি পণ্ডিতসকলে মন্তব্য কৰিছে?

(গ) শংকৰদেৱে ৰচনা কৰা ভক্তিতত্ত্ব প্ৰকাশক দুখন গ্ৰন্থৰ নাম লিখা।

(ঘ) "যত জীৱ জঙ্গম কীট পটঙ্গম
অগ নগ জগ তেৰি কায়া।"

বৰগীতটিত ব্যৱহৃত 'জঙ্গম' আৰু 'অগ' শব্দ দুটাই কি অৰ্থ প্ৰকাশ কৰিছে?

(ঙ) 'শাৰংগ পাণি....' বৰগীতটিত কি দুটা বস্তু ওচৰ পোৱা বুলি কৈ শংকৰদেৱে শাৰংগপাণিৰ চৰণত প্ৰাৰ্থনা জনাইছে?

(চ) গজেন্দ্রৰ প্ৰাৰ্থনা শুনি কোনে, কাৰ পিঠিত উঠি আহি গ্ৰাহৰ পৰা গজেন্দ্ৰক ৰক্ষা কৰিছিল?

(ছ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগ শংকৰদেৱে 'মাৰ্কণ্ডেয় পুৰাণ'ৰ কোন দুটা অধ্যায়ৰ পৰা গ্ৰহণ কৰিছে?

(জ) ৰজা হৰিশ্চন্দ্ৰই কি যজ্ঞ অনুষ্ঠিত কৰিছিল আৰু যজ্ঞৰ প্ৰাৰম্ভতে শাস্ত্ৰ-ব্যৱস্থিত গণেশক পূজিবলৈ অমান্তি হৈ কাক পূজা কৰিছিল?

(ঝ) নাৰদ মুনিয়ে স্বৰ্গৰ পৰা শ্ৰীকৃষ্ণলৈ কি উপহাৰ লৈ আহিছিল? সেই উপহাৰ শ্ৰীকৃষ্ণই গ্ৰহণ কৰি কাক দিছিল?

(ঞ) ৰামচৰণ ঠাকুৰৰ 'গুৰুচৰিত' মতে শংকৰদেৱে কোনবাৰ তীৰ্থ ভ্ৰমণৰ সময়ত 'পাৰিজাত হৰণ' নাট ৰচনা কৰিছিল আৰু তেতিয়া শংকৰদেৱৰ বয়স কিমান বুলি ধাৰণা কৰিব পাৰি?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) শংকৰদেৱৰ বৰগীত সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) শংকৰদেৱৰ অনুবাদ-সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা।

(গ) 'শাৰঙ্গ পাণি....' বৰগীতটিৰ বিষয়বস্তুৰ তাৎপৰ্য বিচাৰ কৰা।

(ঘ) 'কীৰ্ত্তন-ঘোষা'ৰ কাব্যিক বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঙ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ বিষয়বস্তুৰ চমু আভাস দিয়া।





(চ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত কবিয়ে কেনেদৰে বৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰিছে, বিচাৰ কৰা।

(ছ) 'পাৰিজাত হৰণ' নাটৰ পঞ্চসন্ধি সম্বন্ধে এক চমু টোকা লিখা।

(জ) 'পাৰিজাত হৰণ' নাটৰ নাৰদ চৰিত্ৰটো বিশ্লেষণ কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ১০×৪=৪০

(ক) শংকৰদেৱৰ সাহিত্য-সৃষ্টিৰ পটভূমি বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা। ১০

(খ) শংকৰদেৱ বিৰচিত নাটসমূহ ৰচনাৰ ক্ৰম অনুযায়ী উল্লেখ কৰি 'পাৰিজাত হৰণ' ব্যতিৰেক অন্য যি কোনো দুখন নাটৰ বিষয়ে চমুকৈ লিখা। ২+৮=১০

(গ) 'বৰগীত' বুলিলে কি বুজা? শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা। ২+৮=১০

(ঘ) 'নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা' বৰগীতটোত ভগৱান নাৰায়ণৰ মহিমা আৰু ভক্তৰ আকুলতা কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা। ১০

(ঙ) ভাবৰ ভিন্নতালৈ লক্ষ্য কৰি বৰগীতসমূহক কেনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি, বহলাই আলোচনা কৰা। ১০

(চ) 'কীৰ্ত্তন' পুথিৰ 'গজেন্দ্ৰ উপাখ্যান'ত বৰ্ণিত গজেন্দ্ৰ আৰু গ্ৰাহৰ যুদ্ধৰ বৰ্ণনা তোমাৰ ভাষাৰে লিখা। ১০

(ছ) শংকৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ মূল আৰু মৌলিকতা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ৩+৭=১০

(জ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত অসমীয়া সমাজ-জীৱনৰ ছবি কেনেদৰে প্ৰতিফলন হৈছে, বৰ্ণনা কৰা। ১০

(ঝ) 'পাৰিজাত হৰণ' নাটৰ কলা-কৌশল সম্পৰ্কে সবিশেষ আলোচনা কৰা। ১০

(ঞ) 'পাৰিজাত হৰণ' নাটত বিভিন্ন ৰসৰ কেনেদৰে সমাহাৰ হৈছে, উদাহৰণসহ উল্লেখ কৰা। ১০





Paper : ASM-RE-5026

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) 'জনকৃষ্টিৰ ৰূপৰেখা' গ্ৰন্থৰ ৰচক কোন?

(খ) লোকসাহিত্যৰ বাহক কি?

(গ) সত্যেন্দ্ৰনাথ শৰ্মাই লোকগীতসমূহক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰি দেখুৱাইছে?

(ঘ) কামৰূপত 'জোৰা-নাম'ক কি বুলি কোৱা হয়?

(ঙ) 'গেয়' মানে কি?

(চ) 'প্ৰবচন' শব্দৰ আভিধানিক অৰ্থ কি?

(ছ) কাৰ্বি জনগোষ্ঠীৰ লোকসাহিত্যত ফকৰা-যোজনাক কি বুলি কোৱা হয়?

(জ) ইংৰাজী Tale অভিধাটোক অসমীয়া লোকসাহিত্যত কি বুলি কোৱা হয়?

(ঝ) 'সাধুকথাবোৰ কল্পনাশ্ৰয়ী'—কথাষাৰ শুদ্ধনে?

(ঞ) 'দৰংৰাজবংশাৱলী'ৰ ৰচক কোন?

(ট) এখন মন্ত্ৰপুথিৰ নাম লিখা।

(ঠ) কৃষিৰ অধিষ্ঠাত্ৰী দেৱী লখিমীক কাৰ্বিসকলে কি নামেৰে সম্বোধন কৰে?

(ড) 'চক আগ কিএম' অনুষ্ঠানটো কোনটো জনগোষ্ঠীৰ?

(ঢ) মালিতাৰ ইংৰাজী প্ৰতিশব্দটো কি?

(ণ) এটি কাল্পনিক গীতৰ উল্লেখ কৰা।

(ত) বৰফুকনৰ গীত কোন শ্ৰেণীৰ মালিতা?

(থ) নাৰীকেন্দ্ৰিক লোকগীতৰ এটা উদাহৰণ দিয়া।

(দ) এঁউৰি মগা গীতৰ প্ৰচলন অসমৰ কোনটো অঞ্চলত আছে?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) মহেশ্বৰ নেওগে লোকসাহিত্যক কি কি ভাগত ভগাইছে?

(গ) অনুষ্ঠানমূলক লোকগীতৰ ভাগ দুটা কি কি?

(ঘ) প্ৰবাদ বাক্যৰ দুটা প্ৰধান লক্ষণ উল্লেখ কৰা।





(ঙ) জন্তুকেন্দ্ৰিক সাধুকথা বুলিলে কি বুজা?

(চ) বিষয়বস্তুৰ আধাৰত মন্ত্ৰক কি কি ভাগত ভগাব পাৰি?

(ছ) অসমৰ মিচিং সমাজত কি কি মন্ত্ৰৰ প্ৰচলন আছে?

(জ) বড়ো আৰু ডিমাছাসকলে নিচুকণি গীতক কি বুলি কয়?

(ঝ) দুটা জনশ্ৰুতিমূলক মালিতাৰ নাম উল্লেখ কৰা।

(ঞ) অসমীয়া লোকসমাজত প্ৰচলিত দুটি বাৰমাহী গীত উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সাধুকথা

(খ) সমকালীন মালিতা

(গ) বিয়ানাম বা বিয়াগীত

(ঘ) বিহুগীতৰ বৈশিষ্ট্য

(ঙ) আলি আয়ে লৃগাং

(চ) বাথৌ পূজাৰ গীত

(ছ) গেয় আৰু কথ্য লোকসাহিত্য

(জ) জনজাতীয় লোকসাহিত্য

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো চাৰিটাৰ) : ১০×৪=৪০

(ক) লোকসাহিত্য বুলিলে কি বুজা? লোকসাহিত্যৰ সময় আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) লোকগীতৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) 'আঞ্চলিক আৰু জনগোষ্ঠীয় লোকসাহিত্য'—এই শিতানত এটি নিবন্ধ প্ৰস্তুত কৰা।

(ঘ) প্ৰবচন বুলিলে কি বুজা? অসমীয়া সমাজত প্ৰচলিত প্ৰবাদ বাক্যসমূহৰ পৰিচয় দাঙি ধৰা।

(ঙ) জনজাতীয় সমাজজীৱনত নিচুকণি গীতৰ প্ৰাধান্য সম্পৰ্কে লিখা।

(চ) তোমাৰ নিজ অঞ্চলত প্ৰচলিত মালিতাৰ উদাহৰণেৰে মালিতা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ছ) অসমৰ জনজাতীয় সমাজত প্ৰচলিত মালিতাসমূহৰ বিষয়ে লিখা।





(জ) গোৱালপৰীয়া লোকগীতত প্ৰেম আৰু বিৰহৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঝ) বাৰমাহী গীতৰ বিষয়বস্তু আৰু বৈশিষ্ট্য সম্পৰ্কে লিখা।

(ঞ) পুৰণি অসমত প্ৰচলিত খেল-ধেমালিৰ পৰিচয় দাঙি ধৰি ইয়াৰ লগত সম্পৰ্কিত গীত-মাতবোৰৰ বিষয়ে চমুকৈ লিখা।

★★★